অসম

# ‘আমাক নামাজ পঢ়িবলৈ দিয়া নাই, মাৰি পেলাওক’ — লখিমপুৰৰ উচ্ছেদিতৰ ক্ষোভ; কাষত থিয় দিলে কংগ্রেছ

লখিমপুৰৰ উচ্ছেদস্থলী পৰিদর্শন কৰি কংগ্রেছৰ এটা দলে ক্ষতিগ্রস্ত লোকসকলক উচ্ছেদৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

প্রকাশ: ১৭ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৩



Evicted residents in Lakhimpur (social media)

১৭ নৱেম্বৰ, লখিমপুৰ: আমাক নামাজ পঢ়িবলৈ দিয়া নাই ;উচ্ছেদ কৰাতকৈ আমাক মাৰি পেলাওঁক, আমাৰ আৰু উপায় নাই। আমাক আহি কৈছে তহঁতি কিয় যোৱা নাই কিন্তু আমি ক'ত যাম? টিৰ্পাল পাৰি বাস কৰিও থাকিব নোৱাৰা হৈছো,টিৰ্পাল সকলো ফালি আমাক উচ্ছেদ কৰিছে ।

উচ্ছেদ অভিযানক কেন্দ্র কৰি কংগ্রেছৰ এটা দল আৰু ক্ষতিগ্রস্ত লোকসকলৰ মাজত হোৱা বার্তালাপৰ এটা ভিডিঅ’ নতুনকৈ চর্চালৈ আহিছে। উচ্ছেদস্থলী পৰিদর্শন কৰা দলটোক উচ্ছেদিতই এইদৰে মন্তব্য কৰিছে। উচ্ছেদস্থলী পৰিদর্শন কৰা দলটো উচ্ছেদিত লোকসকলৰ কাষত থিয় দি উচ্ছেদৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰাখিবলৈ পৰামর্শ দিয়ে।

ভিডিঅ’টোত একাংশ উচ্ছেদিত লোকে অসহায় অৱস্থাৰ কথা প্রকাশ কৰি কয় যে তেওঁলোকক নামাজ পঢ়িবলৈ দিয়া হোৱা নাই। উচ্ছেদ কৰাতকৈ মাৰি পেলাবলৈ আহ্বান জনাই তেওঁলোকে আৰু কোনো উপায় নথকাৰ কথাও

কয়।

> “আমাক নামাজ পঢ়িবলৈ দিয়া নাই। উচ্ছেদ কৰাতকৈ আমাক মাৰি পেলাওক, আমাৰ আৰু উপায় নাই।”

আন এগৰাকী ব্যক্তিয়ে প্রশ্ন কৰে, তেওঁলোকক কিয় যোৱা নাই বুলি কোৱা হৈছে যদিও তেওঁলোক ক’ত যাব। উচ্ছেদ অভিযানৰ সময়ত তিৰ্পাল ফালি আঁতৰাই দিয়া হৈছে বুলি অভিযোগ কৰি লোকসকলে ঘৰ-বাৰী আৰু উপাসনাৰ সুবিধা হেৰুৱাৰ কথা উল্লেখ কৰে।

কংগ্রেছ নেতা জয়প্রকাশ দাসৰ সৈতে অহা দলটোৱে গৌৰৱ গগৈৰ নির্দেশত তাত উপস্থিত হোৱা বুলি কয়। তেওঁলোক উচ্ছেদিত লোকসকলৰ কাষত আছে বুলি জনাই দলটোৱে হুলস্থূল নকৰাকৈ নিজৰ স্থিতিত অটল থাকিবলৈ আৰু যিমান পাৰে যুঁজ অব্যাহত ৰাখিবলৈ পৰামর্শ দিয়ে।

ভিডিঅ’টোত দলটোৱে উচ্ছেদিত লোকসকলক ভোটাৰ তালিকাত নাম থকাৰ কথা উল্লেখ কৰি ‘আমি ওলাই নাযাওঁ’ বুলি নিজৰ স্থিতি প্রকাশ কৰিবলৈও কয়। একাংশ লোকে কংগ্রেছৰ চৰকাৰ পুনৰ গঠন হ’লেহে তেওঁলোকৰ সমস্যাৰ সমাধান হ’ব বুলি মন্তব্য কৰে।

উচ্ছেদিত লোকসকলে দীর্ঘদিন ধৰি অঞ্চলটোত বসবাস কৰি অহাৰ দাবী কৰিছে। আনহাতে, চৰকাৰ আৰু প্রশাসনে চৰকাৰী ভূমি বেদখলমুক্ত কৰিবলৈ আইনী প্রক্রিয়া অনুসৰিহে উচ্ছেদ অভিযান চলোৱা হৈছে বুলি স্থিতি প্রকাশ কৰিছে।

---

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/3877/lkhimpu-ucched-knggech-ucchedit